**15 E—ADAS**

**2015**

# ADVANCE ASSAMESE

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) 'প্ৰহ্লাদ চৰিত্ৰ' কৱিতাটিত হৰিৰ প্ৰতি প্ৰহ্লাদৰ ভক্তি কেনেদৰে প্ৰকাশ পাইছে, লিখা। ৫

*অথবা*

(খ) 'শিৱৰ কৃষি-কৰ্ম' কৱিতাটিৰ মতে শিৱৰ কৃষি-কাৰ্য সম্পৰ্কে এটি বৰ্ণনা দিয়া।

২। প্ৰসংগ-সংগতি দৰ্শাই তলৰ যি কোনো এছোৱা ব্যাখ্যা কৰা : ২+৩=৫

(ক) তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত,
কৱিতাৰ কাৱ্যে তাৰ গোন্ধকো নাপায়।

(খ) নপৰে নিশাহ কপালত চোৱা
মৃত্যুৰ কলীয়া ৰেখ,
নিষ্ঠুৰ মানুহ শেষ হ'ল আজি
জীৱন দিনৰ লেখ।

৩। তলৰ যি কোনো এজন কৱিৰ চমু পৰিচয় দিয়া : ৫

হেম সৰস্বতী ; ৰাম সৰস্বতী ; আনন্দ চন্দ্ৰ আগৰৱালা।

৪। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া : ১×৫=৫

(ক) হেমচন্দ্ৰ গোস্বামীৰ কবিতা-পুথিখনৰ নাম কি?

(খ) অসমীয়া সাহিত্য জগতত কোনজন কবি 'বিদ্ৰোহী কবি' নামেৰে পৰিচিত?

(গ) 'চামুৰাই' মানে কি?

(ঘ) 'ফিৰিঙি সেনা'ই কাক বুজায়?

(ঙ) অসমীয়া সাহিত্যত 'ব্যাস' ৰূপে কোনজন কবি পৰিচিত?

৫। (ক) শংকৰদেৱে শিশুকালত কি কি অলৌকিক কাৰ্য প্ৰদৰ্শন কৰিছিল, বিৱৰি লিখা। ৫

*অথবা*

(খ) 'ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা' প্ৰবন্ধৰ আলমত ইউৰোপীয় আৰু ভাৰতীয় শিক্ষাৰ পাৰ্থক্যসমূহ চমুকৈ লিখা।

৬। 'পাঁচ প্ৰকাৰৰ ভক্তিৰস' কি কি? সেইবোৰৰ বিষয়ে আলোচনা কৰা। ৫

৭। চমু উত্তৰ দিয়া : ১×৫=৫

(ক) হেগেল কোন?

(খ) মুচলনীৰ সম্পূৰ্ণ নাম কি?

(গ) ভাৰতৰ এখন প্ৰচীন বিশ্ববিদ্যালয়ৰ নাম লিখা।

(ঘ) কৃষ্ণকান্ত সন্দিকৈদেৱে ৰচনা কৰা এখন গ্ৰন্থৰ নাম লিখা।

(ঙ) 'শংকৰদেৱৰ বাল্যকাল' নামৰ পাঠটিৰ উৎসগ্ৰন্থ কি?

৮। 'টিকেন্দ্ৰজিৎ' নাটকৰ নায়ক কোন? তেওঁৰ চৰিত্ৰ সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা। ১+৫=৬

৯। (ক) যি কোনো দুটা চৰিত্ৰৰ বিষয়ে চমুকৈ লিখা : ৩×২=৬

ঠঙাল ; কুলচন্দ্ৰ ; চন্দ্ৰলেখা ; সুৰচন্দ্ৰ।

(খ) "ৰাজসিংহাসনৰ প্ৰতি মোৰ আকাংক্ষা নাই চাহাব! ৰজাৰ অবিহনে যুৱৰাজে ৰাজপাটত বহাটো মণিপুৰৰ প্ৰচলিত নিয়ম।" এই সংলাপটিৰ বক্তা কোন? কাক, কি প্ৰসংগত এনেকৈ কৈছে? ১+১+২=৪

(গ) "বিদেশী ব'গা বণিকে এই যুদ্ধৰ নাম দিছিল—চিপাহী বিদ্ৰোহ।" এই সংলাপটিৰ বক্তা কোন? 'ব'গা বণিক' কোন? কি যুদ্ধৰ নাম 'চিপাহী বিদ্ৰোহ' দিছে? ১+১+২=৪

১০। (ক) 'যীশুখৃষ্টৰ ছবি' গল্পটোত গোৰা চিপাহীজনৰ পিতৃ-হৃদয়ৰ স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা। ৫

*অথবা*

(খ) "অন্তৰৰ অতি গুপুত কোণত সেইবোৰ কি কথা লুকাই আছে?" মঞ্জুলাৰ অন্তৰত কি কথা লুকাই আছিল, বহলাই আলোচনা কৰা।

১১। (ক) "মাহীয়েকৰ দৰে স্পষ্ট বক্তা হৈছে ভাগিনীয়েকজনী।" ইয়াত মাহীয়েক আৰু ভাগিনীয়েক কোন? ১+১=২

(খ) নিৰুপমা বৰগোহাঞিঃ *নাইবা* চৈয়দ আব্দুল মালিকৰ সাহিত্য-কৰ্মৰ চমু পৰিচয় দিয়া। ৩

১২। (ক) ছন্দ কাক বোলে? ই কেইবিধ? প্ৰতিবিধৰে সূত্ৰ লিখি উদাহৰণ দিয়া। ২+১+৩=৬

(খ) যি কোনো দুবিধ ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২+২=৪

ঝুমুৰী ; কুসুমমালা ; দুলড়ী ; ছবি।

১৩। (ক) কবিতাৰ এটি সংজ্ঞা দি ইয়াৰ বিষয়ে এটি আলোচনা দাঙি ধৰা। ২+৪=৬

*অথবা*

(খ) বিষয়বস্তু অনুসৰি নাটকৰ শ্ৰেণী-বিভাজন কৰি প্ৰতি বিভাগৰ বিষয়ে চমুকৈ লিখা। ৬

১৪। তলৰ যি কোনো দুটাৰ বিষয়ে চমুকৈ লিখা : ২×২=৪

(ক) আন সাহিত্য অংগৰ সৈতে নাটকৰ দুটা প্ৰধান পাৰ্থক্য

(খ) নাটকৰ সংলাপ

(গ) মহাকাব্য

১৫। (ক) কৰি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ এটি পৰিচয় দাঙি ধৰা। ৫

*অথবা*

(খ) হিতেশ্বৰ বৰবৰুৱাৰ কাব্যিক জীৱনৰ পৰিচয় দিয়া।

১৬। (ক) লক্ষ্মীনাথ বেজবৰুৱা *বা* পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা নাটককেইখনৰ নাম লিখি এটি আলোচনা দাঙি ধৰা। ৫

(খ) চমু উত্তৰ দিয়া : ১×৫=৫

(১) প্ৰথম অসমীয়া ৰোমান্টিক কবিতাটোৰ নাম লিখা।

(২) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম কবিতা-পুথিখনৰ নাম কি?

(৩) প্ৰথম অসমীয়া 'ছনেট' লেখক কোন?

(৪) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটখনৰ নাম কি?

(৫) দুৰ্গেশ্বৰ শৰ্মাৰ এখন নাটকৰ নাম লিখা।

★★★